# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**:::::::::::::::::::::::::::::::**

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ মুঠ ৬৮ খন ভোটগণনা মেজত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰিও ডাকযোগে অহা বেলট কাকতসমূহ গণনাৰ বাবেও এই ৫টা সমষ্টিত মুঠ ৯ খন মেজত ভোটগণনা কৰা হ'ব। নিৰ্বাচন বিভাগৰ সূত্ৰই জনোৱা অনুসৰি কাইলৈ পুৱা প্ৰথমে ডাকযোগে অহা বেলট কাকতসমূহৰ গণনা কৰা হ'ব। তাৰ পাছত ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাসকলে বেলট কাকতত দিয়া ভোটসমূহ গণনা কৰা হ'ব। দুপৰীয়াৰ ভাগত ভোটগণনাৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

বিভিন্ন জিলাৰ নিৰ্বাচনী বিষয়াসকলৰ উদ্ধৃতি দি আমাৰ জিলা সংবাদদাতাসকলে জনোৱা অনুসৰি ধলাইত ৰামনগৰৰ আন্তঃৰাজ্যিক ট্ৰাক টাৰ্মিনেলৰ কেন্দ্ৰত, চিদলীত কাজলগাঁৱৰ জিলা কেন্দ্ৰত, বঙাইগাঁৱত বঙাইগাঁও মহাবিদ্যালয়ত, বিহালী আৰু চামগুৰি সমষ্টিৰ ভোটগণনা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভোটগণনা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

ভোটগণনাৰ বাবে প্ৰায় তিনিশ পঞ্চাছ গৰাকী কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। ভোটগণনা কাৰ্য সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে আৰু ভোটগণনা কেন্দ্ৰসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ভোটগণনাৰ ফলাফল প্ৰাৰ্থী আৰু সংবাদ মাধ্যমক জনোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে।

কাইলৈ ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাও অনুষ্ঠিত হ'ব।

oooooooo

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে অহা ২৫ নৱেম্বৰত প'ৰ্টেল পুনৰ মুকলি কৰিব। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম ২৬ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। একেদৰে মাচুল আদায়ৰ অন্তিম তাৰিখ ২৭ নৱেম্বৰ নিৰ্ধাৰণ কৰা হৈছে। প্ৰ-পত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনোধৰণৰ প্ৰ-পত্ৰ গ্ৰহণ কৰা নহয় বুলি প্ৰকাশ কৰিছে।

oooooooo

নলবাৰী জিলা প্ৰশাসনে অহা ২৫ নৱেম্বৰত ৰাস মহোৎসৱৰ বাবে জিলাখনত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাই আজি এক নিৰ্দেশযোগে ঘোষণা কৰে। বন্ধৰ সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, ৰাজহ আৰু ন্যায়িক আদালত আৰু শিক্ষানুষ্ঠানসমূহ বন্ধ থাকিব। কিন্তু পূৰ্বনিৰ্ধাৰিত পৰীক্ষাসমূহ আৰু জৰুৰীকালীন সেৱাসমূহ নিয়মিতভাৱে চলি থাকিব বুলিও তেওঁ উল্লেখ কৰে।

oooooooo

কোকৰাঝাৰ জিলাৰ চেৰফাংগুৰিৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত আজি হোৱা এটা পথ দুৰ্ঘটনাত দুটি শিশুকে ধৰি ৬জন লোক আহত হয়। ভূটানৰ পৰা অহা এখন বাহনে আন এখন ভূটানৰ সৰু বাহনক পিছফালে খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। আহতসকলক ততাতৈয়াকৈ কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতাললৈ লৈ যোৱা হয়।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকল সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০০

ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত বেগী বলাৰৰ আধিপত্য। প্ৰথম দিনা ভাৰতে ১৫০ ৰানৰ প্ৰত্যুত্তৰত দিনটোৰ সামৰণিত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত ৭ উইকেটত ৬৭ ৰান সংগ্ৰহ কৰে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰি বিপৰ্যয়ৰ সন্মুখীন হয়।

প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ ৰেড্ডীয়ে সৰ্বাধিক ৪১ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ বলাৰ হেজেলউডে সৰ্বাধিক চাৰিটা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত প্ৰথম ইনিংছ আৰম্ভ কৰি অষ্ট্ৰেলিয়াও বেটিং বিপৰ্যয়ৰ সন্মুখীন হয় আৰু প্ৰথমদিনাৰ খেলৰ সামৰণিত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰাই সৰ্বাধিক ৪টা উইকেট দখল কৰে। প্ৰথম দিনাৰ সামৰণিত প্ৰথম ইনিংছৰ তিনিটা উইকেট বাকী থকা অৱস্থাত অষ্ট্ৰেলিয়া ভাৰততকৈ ৮৩ ৰান পিছ পৰি আছে।

০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী তিনিটা সংস্কৰণৰ সূচী ঘোষণা কৰিছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আই পি এলৰ ২০২৫ বৰ্ষৰ সংস্কৰণ ১৪ মাৰ্চৰ পৰা ২৫ মে'লৈ, ২০২৬ বৰ্ষৰ সংস্কৰণ ১৫ মাৰ্চৰ পৰা ৩১ মে'লৈ আৰু ২০২৭ বৰ্ষৰ সংস্কৰণ ১৪ মাৰ্চৰ পৰা ৩০ মে'লৈ অনুষ্ঠিত হ'ব।

২০২৫ বৰ্ষৰ আই পি এলত মুঠ ৭৪খন খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

অসমৰ প্ৰতিভাৱান টেনিছ খেলুৱৈ ফাগুনজ্যোতিয়ে গুৰুগ্ৰামত অনুষ্ঠিত আইটা ৰাষ্ট্ৰীয় ৰেংকিং চেম্পিয়নশ্বিপ ছিৰিজ টেনিছত খিতাপ জয় কৰিবলৈ সমৰ্থ হৈছে। ফাগুনজ্যোতিয়ে ছোৱালীৰ ১২ ১২ বছৰ অনূৰ্ধৰ ডাবলছ শাখাত চেম্পিয়নৰ সন্মান অৰ্জন কৰাৰ লগতে ১২ বছৰ অনূৰ্ধৰ একক শাখাত ৰাৰ্ণাছআপ হয়।

০০০০০০০০

**সমাপ্ত**